# REGIONAL NEWS UNIT
ALL INDIA RADIO, GUWAHATI
000000000

**Date :** 01-11-2025 **Time :** 1205 Hrs.

## *Assamese Morning Bulletin*
## HEADLINES

ooooo

অহা ২৫ নৱেম্বৰত আৰম্ভ হ'বলগীয়া অসম বিধানসভাৰ শীতকালীন অধিৱেশন পাঁচ দিন ধৰি চলিব। অসম বিধানসভাৰ কাৰ্যক্ৰমণিকা উপদেষ্টা সমিতিৰ এখন বৈঠকত কালি এই সিদ্ধান্ত লোৱা হয়। বিধানসভাৰ অধ্যক্ষ বিশ্বজিৎ দৈমাৰীৰ অধ্যক্ষতাত অনুষ্ঠিত উপদেষ্টা সমিতিৰ বৈঠকত বিভিন্ন ৰাজনৈতিক দলৰ বিধায়কসকল উপস্থিত থাকে। বৈঠকত লোৱা সিদ্ধান্ত অনুসৰি অহা ২৫, ২৬, ২৭, ২৮ আৰু ২৯ নৱেম্বৰত শীতকালীন অধিৱেশন চলিব। উল্লেখযোগ্য যে, ৰাজ্যপাল লক্ষ্মণ প্ৰসাদ আচাৰ্যৰ ভাষণেৰে আৰম্ভ হ'বলগীয়া এইবাৰৰ অধিৱেশনত কেইবাখনো বিধেয়ক উত্থাপন কৰাৰ উপৰি গুৰুত্বপূৰ্ণ প্ৰতিবেদন দাখিল কৰা হ'ব। ৰাজ্য চৰকাৰে বিধানসভাৰ শীতকালীন অধিৱেশনত লাভ জেহাদ, বহু বিবাহৰ বিৰুদ্ধে বিধেয়ক আৰু সত্ৰৰ সংৰক্ষণ সন্দৰ্ভত কেইবাখনো বিধেয়ক উত্থাপন কৰাৰ সিদ্ধান্ত লৈছে। তদুপৰি ছয় জনগোষ্ঠীৰ জনজাতিকৰণ সন্দৰ্ভত মন্ত্ৰীগোটৰ প্ৰতিবেদনৰ লগতে নেলী হত্যাকাণ্ডক লৈ গঠন কৰা তিৱাৰী আয়োগৰ প্ৰতিবেদন বিধানসভাত দাখিল কৰা হ'ব। একেদৰে চাহ বাগিচাৰ শ্ৰমিকক ভূমিৰ অধিকাৰ প্ৰদান আৰু অসমৰ প্ৰতিখন চিকিৎসা মহাবিদ্যালয়ত চাহ বাগিচাৰ শিক্ষাৰ্থীসকলৰ বাবে ৪ খনকৈ আসন সংৰক্ষণ কৰাৰ বাবে বিধানসভাত বিধেয়ক উত্থাপন কৰা হ'ব।

ooooo

অসম আৰক্ষীৰ আইন-শৃংখলা বিভাগৰ আৰক্ষী মহাপৰিদৰ্শক অখিলেশ কুমাৰ সিং, আৰক্ষী মহাপৰিদৰ্শক পাৰ্থ সাৰথি মহন্তকে ধৰি ৰাজ্যৰ ১৩ গৰাকী আৰক্ষী বিষয়াই কেন্দ্ৰীয় গৃহমন্ত্ৰীৰ দক্ষতা পদক লাভ কৰিছে। অনুসন্ধান শাখাত উপ-আৰক্ষী অধীক্ষক ফুলকৰ নাৰ্জাৰী, মাধুৰীমা দাস, তদানীন্তন মহকুমা আৰক্ষী বিষয়া প্ৰকাশ সোণোৱাল আৰু উপ-পৰিদৰ্শক উমেশ বৰাই গৃহমন্ত্ৰীৰ দক্ষতা পদক লাভ কৰিছে। একেদৰে বিশেষ অভিযান শাখাত তদানীন্তন অতিৰিক্ত আৰক্ষী অধীক্ষক প্ৰণৱ কুমাৰ পেগু, আৰক্ষী অধীক্ষক অনুৰাগ শৰ্মা, অতিৰিক্ত আৰক্ষী অধীক্ষক সত্যেন্দ্ৰ সিং হাজাৰী, পৰিদৰ্শক সৰোজ দলে, শংকৰজ্যোতি নাথ, কপিল পাঠক আৰু বিক্ৰম বসুমতাৰীলৈ গৃহমন্ত্ৰীৰ দক্ষতা পদক আগবঢ়োৱা হৈছে। জেহাদিৰ বিৰুদ্ধে চলোৱা অভিযান আৰু অনুসন্ধানত লাভ কৰা সফলতাৰ বাবে এই আৰক্ষী বিষয়াসকললৈ গৃহমন্ত্ৰীৰ দক্ষতা পদক আগবঢ়োৱা হৈছে। ইপিনে মণিপুৰৰ আইন-শৃংখলা ৰক্ষাৰ ক্ষেত্ৰত সমন্বয় ৰক্ষা কৰাৰ বাবে চুবুৰীয়া ৰাজ্যখনৰ আৰক্ষী

সঞ্চালক প্ৰধান গৰাকীয়ে অসম আৰক্ষীৰ মহাপৰিদৰ্শক অখেলশ কুমাৰ সিং, বিশেষ আৰক্ষী উপ-মহাপৰিদৰ্শক অৱসৰপ্ৰাপ্ত ব্ৰিগেডিয়াৰ চৰণদ্বীপ সিং, একাদশ আৰক্ষী বেটেলিয়নৰ অধিনায়ক টাবুৰাম পেগু, লাচিত বৰফুকন পুলিচ একাডেমীৰ অধিনায়ক আব্দুল কাদীৰ আৰিফ, ছামাদ হুছেইন, গৌৰৱ কুমাৰ আগৰৱাল, পাপৰি চেতিয়া আৰু কাছাৰৰ জ্যেষ্ঠ আৰক্ষী অধীক্ষক নোমল মাহাত্তালৈ প্ৰশংসা চিহ্ন আগবঢ়াইছে।

ooooo

জুবিন গাৰ্গৰ মৃত্যুৰ ঘটনা সংক্ৰান্তত বিশেষ অনুসন্ধানকাৰী গোটৰ তদন্ত সঠিক দিশত আশানুৰূপভাৱে আগবাঢ়িছে আৰু  অহা ১৭ ডিচেম্বৰৰ ভিতৰত এছ আই টিয়ে অভিযোগনামা দাখিল কৰিব পাৰিব বুলি মুখ্যমন্ত্ৰী ড০ হিমন্ত বিশ্ব শৰ্মাই প্ৰকাশ কৰিছে। গুৱাহাটীত কালি সন্ধিয়া এটা অনুষ্ঠানৰ পাছত সাংবাদিকৰ সৈতে হোৱা কথা-বতৰাত মুখ্যমন্ত্ৰীয়ে কয়, যে জুবিন গাৰ্গক ন্যায় দিবলৈ সমৰ্থ হ'ব বুলি এছ আই টিৰ আত্মবিশ্বাস আছে। তেওঁ লগতে ৰাজ্য চৰকাৰে ছিংগাপুৰ কৰ্তৃপক্ষৰ পৰা কালি জুবিন গাৰ্গৰ মৰনোত্তৰ পৰীক্ষাৰ বিস্তৃত প্ৰতিবেদন লাভ কৰিছে বুলি প্ৰকাশ কৰে। ড° শৰ্মাই কয়, যে  মৰণোত্তৰ পৰীক্ষাৰ প্ৰতিবেদনৰ লগতে ছিংগাপুৰ কৰ্তৃপক্ষই শিল্পীগৰাকীৰ টক্সিক'লজি প্ৰতিবেদনো প্ৰেৰণ কৰিছে।

জুবিন গাৰ্গৰ যোৱা ১৯ ছেপ্তেম্বৰত ছিংগাপুৰত ৰহস্যজনক মৃত্যুৰ পাছত ছিংগাপুৰৰ চিকিৎসালয়তে প্ৰথমটো মৰণোত্তৰ পৰীক্ষা সম্পন্ন কৰা হৈছিল। ইয়াৰ পাছত ২৩ ছেপ্তেম্বৰত তেওঁৰ অন্ত্যেস্তিক্ৰিয়াৰ পূৰ্বে পুনৰ গুৱাহাটী চিকিৎসা মহাবিদ্যালয় হাস্পতালত মৰণোত্তৰ পৰীক্ষা কৰা হয়।

ooooo

বিশ্ব ঐতিহ্য ক্ষেত্ৰ কাজিৰঙা ৰাষ্ট্ৰীয় উদ্যানত আজিৰে পৰা পুনৰ পৰ্যটকৰ বাবে হাতী ছাফাৰী আৰম্ভ হৈছে। পুৱা চাৰে ৫ বজাত ৰাষ্ট্ৰীয় উদ্যানখনৰ সঞ্চালক ড০ সোণালী ঘোষে আনুষ্ঠানিকভাৱে হাতী ছাফাৰী মুকলি কৰে। আজি বাগৰি বনাঞ্চলত ১৩২ গৰাকী পৰ্যটকে ৩৩ টা হাতীৰে ৰাষ্ট্ৰীয় উদ্যানখন পৰিদৰ্শন কৰে। কাইলৈ কঁহৰা বনাঞ্চলত জীপ ছাফাৰীৰ লগতে হাতী ছাফাৰী পুনৰ আৰম্ভ কৰা হ'ব।

ooooo

অসম প্ৰকাশন পৰিষদ আৰু সদৌ অসম পুথি প্ৰকাশক তথা বিক্ৰেতা সন্থাৰ উদ্যোগত লখিমপুৰ কমাৰ্চ কলেজৰ স্পোৰ্টছ কমপ্লেক্সত ভাষা সাহিত্য সংস্কৃতিৰ এলানি আকৰ্ষণীয় কাৰ্যসূচীৰে আজিৰে পৰা ১০ দিনীয়াকৈ অসম গ্ৰন্থমেলাৰ আয়োজন কৰা হৈছে। আজি বিয়লি শিক্ষামন্ত্ৰী তথা অসম প্ৰকাশন পৰিষদৰ অধ্যক্ষ ডাঃ ৰনোজ পেগুৱে গ্ৰন্থমেলাখন উদ্বোধন কৰিব। পশ্চিমবংগৰ বিশিষ্ট সাহিত্যিক বিনোদ ঘোষাল বিশেষ অতিথিৰূপে উপস্থিত থাকিব। উদ্বোধনী সভাত বিধায়ক মানৱ ডেকা, মাধৱদেৱ বিশ্ববিদ্যালয়ৰ উপাচাৰ্য্য ড° অৰূপজ্যোতি চৌধুৰী, গুৱাহাটী বিশ্ববিদ্যালয়ৰ অধ্যাপক ড° বিভাস চৌধুৰী আৰু লখিমপুৰৰ জিলা আয়ুক্ত প্ৰণৱজিৎ কাকতি উপস্থিত থাকিব। গ্ৰন্থমেলাৰ দিনকেইটাত ভাষা সাহিত্য, সংস্কৃতি, ইতিহাস আদি ভিন্ন বিষয় সামৰি আলোচনাচক্ৰ অনুষ্ঠিত হ'ব।

ooooo

পাৰ্বত্য জিলা পশ্চিম কাৰ্বি আংলঙৰ উমছুৱাই সাপ্তাহিক বজাৰৰ সমীপত আজি পুৱতি নিশা সংঘটিত এটা পথ দুৰ্ঘটনাত তিনিজন লোকৰ মৃত্যু  আৰু আন কেইবাজনো লোক আহত হয়। তিৱা জনগোষ্ঠীৰ লাংখন

উৎসৱৰ পৰা পুৱতি নিশা বৰমাৰজং আৰু উমছাত্ৰি নামৰ গাঁৱলৈ আহি থকা অৱস্থাত এইলোক কেইজন কঢ়িয়াই নিয়া বাহনখন দুৰ্ঘটনাত পতিত হয়।

০০০০